# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-10-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

ঐশ্বৰ্য বিভূতিৰ কামনাৰে আজি ৰাজ্যত ধন আৰু সৌভাগ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা কৰা হ'ব। পঞ্জিকা অনুসৰি আজি নিশা ৮ বাজি ৪০ মিনিটৰ পৰা লক্ষ্মী পূৰ্ণিমা তিথি আৰম্ভ হৈ কাইলৈ বিয়লি ৪ বাজি ৫৫ মিনিটত সমাপ্ত হ'ব। গুৱাহাটী মহানগৰীতো বিস্তৃত কাৰ্যসূচীৰে লক্ষ্মী দেৱীৰ পূজা-অৰ্চনা কৰা হ'ব। এই উপলক্ষে বজাৰসমূহত লক্ষ্মী দেৱীৰ মূৰ্তিৰ লগতে পূজাৰ সামগ্ৰীৰে ভৰি পৰিছে। প্ৰতিবছৰৰ দৰে এইবাৰো ৰাজ্যৰ প্ৰান্তে প্ৰান্তে লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। বিভিন্ন জিলাৰ লক্ষ্মী মন্দিৰসমূহত ধন আৰু ঐশ্বৰ্যৰ দেৱী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। ঠাই বিশেষে ৩ৰ পৰা ৭ দিনীয়া কাৰ্যসূচীৰে এই পূজাৰ আয়োজন কৰা হৈছে। পূজাৰ পৰম্পৰাগত ৰীতি-নীতিৰ লগতে বিভিন্ন প্ৰতিযোগিতা, নাট প্ৰদৰ্শন, মেলা আদিও অনুষ্ঠিত হ'ব।

০০০০০

মুখ্যমন্ত্ৰীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাই আজি জনতা ভৱনৰ মূল প্ৰৱেশদ্বাৰৰ সমীপত উৎকোচ লোৱা অৱস্থাত আবকাৰী বিভাগৰ অধীক্ষক কাৰ্যালয়ৰ পাৰ্থ হাজৰিকা নামৰ এজন বিষয়াক গ্ৰেপ্তাৰ কৰিছে। হাজৰিকাই বাৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ নামত এজন লোকৰ পৰা উৎকোচ দাবী কৰিছিল। সমগ্ৰ ঘটনা সন্দৰ্ভত লোকজনে বিভাগত গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ ভিত্তিতেই বিভাগে লোকজনৰ পৰা ২৪ হাজাৰ ৫০০ টকা উৎকোচ লওঁতেই হাজৰিকাক গ্ৰেপ্তাৰ কৰে।

০০০০০

বৰপেটাত ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ২০২৪-২৫ বৰ্ষত এম বি বি এছ পাঠ্যক্ৰমত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলে চিকিৎসক হিচাপে আগন্তুক দিনবোৰত ৰাইজক সেৱা আগবঢ়োৱাৰ শপত গ্ৰহণ কৰে। এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগু, বৰপেটা জিলা আয়ুক্তসহ মহাবিদ্যালয়খনৰ অধ্যক্ষ আৰু অধ্যাপকসকল উপস্থিত থাকে। এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ দি শিক্ষা মন্ত্ৰীগৰাকীয়ে অসমৰ স্বাস্থ্য খণ্ডলৈ বৈপ্লৱিক পৰিৱৰ্তন আহিছে বুলি কয়। নতুন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ জৰিয়তে এই পৰিৱৰ্তন আহিলেও এতিয়াও বহু কাম কৰিবলৈ বাকী আছে আৰু সেইবোৰ পৰ্যায়ক্ৰমে ৰূপায়ণ কৰি থকা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। অনাগত দিনবোৰত বহুকেইখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ যো-জা চলি আছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে ৪৪৬ বিধ পখিলাৰ প্ৰজাতিৰে দেশৰ দ্বিতীয়খন পখিলাৰ বৈচিত্ৰ কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ কৰিছে। অৰুণাচল প্ৰদেশৰ নামদফা ৰাষ্ট্ৰীয় উদ্যানৰ পাছতে কাজিৰঙাৰ এই স্থান দখলে পখিলাৰ বিভিন্ন প্ৰজাতিৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰে হৈছে। যোৱা ২৭ ছেপ্তেম্বৰৰ পৰা

দুদিনীয়াকৈ অনুষ্ঠিত হোৱা পখিলা সংৰক্ষণ সন্মিলন ২০২৪ৰ সময়ছোৱাত কাৰ্বি আংলং আৰু কাজিৰঙাৰ বিভিন্ন স্থানত বিশেষকৈ পানবাৰী সংৰক্ষিত বনাঞ্চলত মুঠ ৮৫ বিধ পখিলা প্ৰজাতিৰ  পৰ্যবেক্ষণ কৰা হৈছিল। কাজিৰঙাত পখিলা সংৰক্ষণৰ গুৰুত্বৰ বিষয়ে সজাগতা বৃদ্ধিৰ কৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা এই সন্মিলনে অঞ্চলটোত পখিলা প্ৰজাতিৰ সমৃদ্ধ বৈচিত্ৰৰ ওপৰত আলোকপাত কৰি এইক্ষেত্ৰত অধিক গৱেষণা, নিৰীক্ষণ আৰু সুৰক্ষা সন্দৰ্ভত লোৱা বিভিন্ন ব্যৱস্থাসমূহ শক্তিশালী কৰি তোলাত গুৰুত্ব আৰোপ কৰে।

ইপিনে বৰ্তমানলৈকে কাজিৰঙালৈ ১১ হাজাৰ ৪৫ গৰাকী দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটিছে বুলি উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে। দৰ্শনাৰ্থীৰ বাবে মুকলি কৰাৰ মাত্ৰ ১৫ দিনৰ ভিতৰতে ২৪ লাখতকৈও অধিক টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। কেৱল জীপ ছাফাৰীৰ জৰিয়তে বন বিভাগে দেশী-বিদেশী পৰ্যটকৰ পৰা এই ৰাজহ সংগ্ৰহ কৰিছে। অহা ১ নৱেম্বৰত ৰাষ্ট্ৰীয় উদ্যানখনত হাতীৰ ছাফাৰী আৰম্ভ কৰা হ’ব।

ooooo

ৰাজ্যৰ সকলো চৰকাৰী কাৰ্যালয়ৰ কাম-কাজসমূহ সময়মতে আৰু সুচাৰুৰূপে সম্পন্ন কৰিবলৈ অসম চৰকাৰে আৰম্ভ কৰা সম্ভাৱনা শীৰ্ষক প্ৰকল্পৰ অধীনত সকলো চৰকাৰী কাৰ্যালয়সমূহ কাগজবিহীন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উপলক্ষে তামুলপুৰ জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত সম্ভাৱনা-থ্ৰি পইণ্ট জিৰো শীৰ্ষক এখন সভা অনুষ্ঠিত হয়। সভাখনত তামুলপুৰ জিলা আয়ুক্ত, আৰক্ষী অধীক্ষককে প্ৰমুখ্য কৰি সংশ্লিষ্ট ২৪ টা বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

ooooo

শাৰদীয় দুৰ্গা পূজাৰ লগত সংগতি ৰাখি নগাওঁ পৌৰ সভাই জিলাখনৰ বিভিন্ন পূজামণ্ডপসমূহৰ মাজত আয়োজন কৰা প্ৰতিযোগিতাৰ বঁটাসমূহ আজি পৌৰ সভা কাৰ্যালয়ত আনুষ্ঠানিকভাৱে প্ৰদান কৰে। বঁটা প্ৰদান অনুষ্ঠানত নগাওঁ জিলাৰ বিধায়ক ৰূপক শৰ্মাই জিলাখনত সুকলমে পূজা অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন, আৰক্ষী, পৌৰসভা, দুৰ্গা পূজা উদ্‌যাপন সমিতি আৰু ৰাইজক ধন্যবাদ জ্ঞাপন কৰে।

সমাপ্ত